بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু নজিৰৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ জুন ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যোৱা জুমাৰ খোতবাত ইহুদী কবিলা বনু নজিৰৰ লোকে আঁহজৰত (ছাঃ)ক মাৰি পেলোৱাৰ ষড়যন্ত্ৰ সম্পৰ্কে বৰ্ণনা কৰা হৈছে। এই ঘটনাৰ বিতং ব্যাখ্যা আজি বৰ্ণনা কৰা হ'ব যে এই ষড়যন্ত্ৰ সম্পৰ্কে অৱগত হৈছিল, আৰু ইয়াৰ বৰ্ণনা এনেদৰে লিপিবদ্ধ আছে যে আমৰ বিন জাহাশ ঘৰৰ চালত উঠি গৈছিল যাতে তেওঁ আঁহজৰত (ছাঃ)ৰ ওপৰত পাথৰ পেলাব পাৰে; কিন্তু এনেতে ইহুদী সকলৰ এই ষড়যন্ত্ৰ আৰু চতুৰালি সম্পৰ্কে ওহীৰ জৰিয়তে আল্লাহ তা'লা আঁহজৰত (ছাঃ)ক জনাই দিয়াত তেখেত (ছাঃ)য়ে সোনকালে নিজৰ বহা ঠাইখনৰ পৰা উঠি আহি যাবলৈ ধৰে যে যেনিবা তেখেতৰ কোনো এটা জৰুৰী কাম আছে আৰু তেখেত (ছাঃ)য়ে বেগেৰে মদিনালৈ ওভতি আহে। তেতিয়া চাহাবা সকলে ভাৱিছিল যে তেখেত (ছাঃ)য়ে হয়তো হ'ব পাৰে শৌচ নাইবা পেচাব কৰিবলৈ উঠি গৈছে। কিন্তু যেতিয়া তেখেত (ছাঃ)ৰ ওভতি অহাত পলম হ'বলৈ লৈছিল তেতিয়া চাহাবা সকলে চিন্তিত হৈ পৰে আৰু ইফালে সিফালে বিচাৰিবলৈ আৰম্ভ কৰে। মদিনাৰ পৰা আহি থকা এজন লোকে চাহাবা সকলক জনাইছিল যে সি আঁহজৰত (ছাঃ)ক মদিনাত প্ৰৱেশ কৰোঁতে দেখিছে। লগে লগে চাহাবা সকলে আহি মদিনাত উপস্থিত হৈছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক বনু নজিৰৰ ষড়যন্ত্ৰৰ বিৱৰী কৈছিল।

আনফালে ইহুদী সকলে আঁহজৰত (ছাঃ)ক মাৰি পেলাবলৈ আৰু চাহাবা সকলক গ্ৰেপ্তাৰ কৰিবলৈ

বুদ্ধি পাঙি আছিল, এনেতে মদিনাৰ পৰা আহি পোৱা এজন ইহুদীয়ে তেওঁলোকৰ এই পৰিকল্পনাৰ কথা শুনি কৈছিল যে মই তেখেত (ছাঃ)ক মদিনাত প্ৰৱেশ কৰোঁতে চাই আহিলো। এই কথা শুনি ইহুদী সকলে আচৰিত হৈ পৰে। আন এজন জীৱনী লেখকে এই সম্পৰ্কে লিখিছে যে তেখেত (ছাঃ)য়ে ওহী ইলাহি অনুযায়ী অতি সোনকালে মদিনালৈ গুচি আহিছিল। আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক এই সম্পৰ্কে একো নুকোৱাৰ কাৰণ আছিল। চাহাবা সকলে কোনো ধৰণৰ বিপদগ্ৰস্ত হোৱাৰ শংকা নাছিল। ইহুদী সকলৰ লক্ষ্য আছিল যে মোৰ চাহাবা সকল নিৰাপদেই থাকিব বৰং সিহঁতে মোক বিচাৰি তাৰ পৰা ওলাই আহিব। উল্লেখ আছে যে সেই সময়ছোৱাত এই আয়াত অৱতীৰ্ণ হৈছিল যে **ইয়া আয়ু হাল্লাজিনা আমানু উজকুৰু নিমাতাল্লাহি  আলায়কুম ইজ হাম্মা কাউমুন আয় ইয়াবছুতু ইলায়কুম আয়দিয়াহিম ফাকাফ্‌ফা আয়দিয়াহুম আনকুম ওৱাত্তাকুল্লাহা ওৱা আলাল্লাহি ফালইয়াতাৱাক্কালিল মুমিনিন** অৰ্থাৎ হে লোক সকল যিসকলে ঈমান স্থাপন কৰিছা। নিজৰ ওপৰত হোৱা আল্লাহৰ অনুগ্ৰহৰাজি মনত পেলোৱা, যেতিয়া এটা সম্প্ৰদায়ে দৃঢ় সংকল্প লৈছিল যে সিহঁতে তোমালোকৰ ফালে (দুষ্টালিৰ) হাত বঢ়াই দিব কিন্তু সি (আল্লাহ) সেই হাতক বাধা প্ৰদান কৰিছে আৰু আল্লাহক ভয় কৰা আৰু আল্লাহৰ ওপৰত মোমিন সকলে ভৰসা কৰা উচিত।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই সংক্ৰান্তে লিখিছে যে ইহুদী সকলে আঁহজৰত (ছাঃ)ৰ উপস্থিতিত কৃত্ৰিম আনন্দ প্ৰকাশ কৰিছিল। কিন্তু সিহঁতে গোপনে পৰামৰ্শ কৰিছিল যে এয়া সুবৰ্ণ সুযোগ হ'ব, তেখেত (ছাঃ)ক মাৰি পেলাব পৰা যাব। ইহুদী সকলৰ পৰাই এজন ব্যক্তি ছালাম বিন মশকমে ইহুদী সকলৰ এই পৰিকল্পনাৰ বিৰোধ কৰি কৈছিল, এয়া বিশ্বাসঘাতকতাৰ কাম আৰু আমি মহম্মদ (ছাঃ)ৰ সৈতে কৰা চুক্তি বিৰুদ্ধ কাম হ'ব। কিন্তু ইহুদী সকলে ছালামৰ কথা মানি লোৱা নাছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে ইহুদী সকলৰ এই চক্ৰান্তৰ পৰা সাৰি অহাৰ পিছত ইহুদী সকলে নিজৰ দুষ্টালিৰ বাবে লাজ বোধ কৰিছিল; এজন ইহুদী কিনানা বিন ছুৰিয়াই কৈছিল যে তৌৰাতৰ কছম! নিঃসন্দেহে মই জানো, মহম্মদ (ছাঃ)ক খবৰ দিয়া হৈছে, যি দুষ্টালি তোমালোকে কৰিছিলা, আল্লাহৰ কছম! নিঃসন্দেহ সি আল্লাহৰ ৰছুল হয়। তেখেতক ওহীৰ জৰিয়তে জনাই দিয়া হৈছে যে তোমালোকে তেখেতক এটা প্ৰবঞ্চনাৰ বলি বনাব বিচাৰিছা। নিশ্চয় তেখেত (ছাঃ) শেষ চৰিয়তধাৰী নবী হয়। তোমালোকে বিচাৰিছিলা যে শেষ নবীজন হাৰুণ গোত্ৰৰ পৰা আহিব। কিন্তু আল্লাহ তা'লা য'ৰ পৰা বিচাৰিছে তাৰে পৰাই তেখেতৰ আগমন ঘটাইছে। নিঃসন্দেহ আমাৰ কিতাপ তৌৰাতত লিখা আছে যে সেই জনা নবীৰ জন্ম মক্কাত হ'ব আৰু তেখেতে ইয়াছৰিব অৰ্থাৎ মদিনালৈ হিজৰত কৰিব। তেখেতৰ যিবোৰ গুণাৱলী আমাৰ কিতাপ তৌৰাতত লিখা আছে সেয়া একমাত্ৰ এখেতৰ ওপৰত প্ৰকাশ পাই আছে। মই দেখিবলৈ পাইছো যে তোমালোকে মৰা-মৰি কৰাৰ বাহিৰে একো নোপোৱা। তোমালোকে নিজৰ ধন মাল সা-সম্পত্তি এৰি যাবা আৰু সতি সন্তানক কান্দিবলৈ এৰি যাবা। যদি তোমালোকে মোৰ দুটা কথা মানি লোৱা তেন্তে তোমালোকৰ কল্যাণ হ'ব। প্ৰথম কথা হ'ল এয়া তোমালোকে ইছলাম গ্ৰহণ কৰি মহম্মদ (ছাঃ)ৰ লগ লোৱা তেহে তোমালোকৰ ধনমাল আৰু তোমালোকৰ সতি-সন্ততি নিৰাপদে থাকিব আৰু তোমালোকেও উচ্চ পৰ্যায়ৰ লগৰীয়া হৈ পৰিবা। দ্বিতীয় কথা হ'ল তোমালোকে অপেক্ষা কৰি থকা সম্ভৱত সি তোমালোকক

চহৰৰ পৰা ওলাই যাবলৈ আদেশ দিব। তেতিয়া তোমালোকে ওলাই যাবলৈ সন্মত হলে সি তোমালোকৰ তেজ আৰু সা-সম্পত্তি জব্দ নকৰিব বা হালাল নবনায়। বৰং তোমালোকৰ সা-সম্পত্তি তোমালোকৰ বাবে এৰি দিব। এইবোৰ কথা শুনি ইহুদী সকলে কৈছিল হয়, আমি তাৰ বাবে সাজু আছো। আঁহজৰত (ছাঃ)য়ে মদিনাত ওভতি গৈ ইহুদী সকলক নিজৰ বাসস্থান এৰি গুচি যাবলৈ আদেশ দিয়ে। কিন্তু ইহুদী সকলে সেয়া অমান্য কৰি মুছলমান সকলৰ লগত যুঁজ দিবলৈ প্ৰস্তুত হয়।

এই সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে আঁহজৰত (ছাঃ)য়ে আউচ কবিলাৰ এজন চৰদাৰ মহম্মদ বিন মাছলামাক মাতি আনি কৈছিল যে তুমি বনু নজিৰৰ ওচৰলৈ যোৱা আৰু তাৰ সৈতে এই বিষয়ে আলোচনা কৰা আৰু তেওঁলোকক ক'বা যে যিহেতু তোমালোকে দুষ্টালিৰ শেষ সীমাত গৈ পাইছা আৰু চুক্তি ভঙ্গ কৰি বিশ্বাস ঘাতকতা কৰিছা, গতিকে তোমালোকে মদিনাত থাকিব নোৱাৰিবা। মদিনা এৰি কৰবাত গৈ বাস কৰাই তোমালোকৰ বাবে উত্তম হ'ব। এই সংক্ৰান্তে আঁহজৰত (ছাঃ)য়ে ইহুদী সকলক দহ দিন সময় দিছিল। যেতিয়া মহম্মদ বিন মাছলামা গৈ ইহুদী সকলক সকলো কথা কৈছিল তেতিয়া ইহুদী সকলে বৰ অহংকাৰেৰে কৈছিল তুমি গৈ মহম্মদ (ছাঃ)ক কৈ দিয়া আমি মদিনা এৰি যাবলৈ প্ৰস্তুত নহও। সি যি কৰিব পাৰে কৰিব। যেতিয়া ইহুদী সকলৰ এনে ডাঠ কথা আঁহজৰত (ছাঃ)ৰ কাণত পৰেগৈ তেতিয়া আঁহজৰত (ছাঃ)য়ে লগে লগে কৈছিল, আল্লাহ আকবৰ ! ইহুদী সকলে যুদ্ধ কৰিবলৈ সাজু হৈছে। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক যুদ্ধৰ বাবে সাজু হ'বলৈ আদেশ দিয়ে। তাৰ পিছত তেখেত (ছাঃ)য়ে চাহাবা সকলৰ এটা জামাত লৈ বনু নজিৰৰ বিৰুদ্ধে ময়দানত আহি উপস্থিত হয়। কিন্তু বনু নজিৰে মুকলি পথাৰত মুছলমান সকলৰ লগত যুদ্ধ কৰিবলৈ ওলাই নাহে, বৰং নিজৰ দুৰ্গৰ ভিতৰত সষ্টম হৈ বহে। তেতিয়া ছালাম বিন মশকমে কৈছিল আমি জানো যে আপুনি আল্লাহ তা'লাৰ প্ৰেৰিত সত্য ৰছুল হয়। তেখেতৰ সমস্ত চৰিত্ৰ সম্পৰ্কে আমি অৱগত আছো। এতিয়া আমি যদি তেখেতৰ আনুগত্য স্বীকাৰ নকৰো তেন্তে ইয়াৰ এয়াই কাৰণ হ'ব যে আমি তেখেতক হিংসা কৰি আছো, কাৰণ এই নবুয়ত বনু হাৰুণৰ পৰা ওলাইছে। গতিকে তোমালোকে আহি তেওঁলোকৰ প্ৰস্তাৱ মানি লোৱা আৰু এই চহৰৰ পৰা বিদায় লোৱা নহলে কিন্তু সিহঁতে আমাক নিজৰ জমিনৰ পৰা খেদি পঠিয়াব। আমাৰ মান সন্মান, ধনমাল সকলো শেষ হৈ যাব। আমাৰ ল'ৰা-ছোৱালী সকল বন্দী হৈ পৰিব আৰু আমাৰ যুদ্ধা সকলক হত্যা কৰি পেলাব। যিয়েই নহওঁক সিহঁতে ছালাম বিন মশকমৰ কথাত কোনো ধৰণৰ সহাৰি নজনালে।

ৰাজ্যৰ বিদ্ৰোহী সকলক দমন কৰিবলৈ অৰ্থাৎ যিসকলে ৰাজ্যৰ শাসন কৰ্তাক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল, যিহেতু সেই সময়ত আঁহজৰত (ছাঃ) ৰাজ্যৰ এজন শাসনকৰ্তা আছিল। আৰু তেওঁলোকে অনুশোচনা নকৰি সজ্জিত হৈ যুদ্ধ ঘোষণা কৰিছিল। গতিকে আঁহজৰত (ছাঃ)য়ে মদিনা ৰক্ষা কৰিবলৈ সষ্টম হৈছিল। সেয়ে বাধ্য হৈ আঁহজৰত (ছাঃ)য়ে বিদ্ৰোহী সকলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হয়।

আঁহজৰত (ছাঃ)য়ে এই অভিযানত নিজৰ ঠাইত হবনে মকতুমক নিজৰ সহকাৰী হিচাপে মদিনাত ৰাখি পেলাই মুছলমান সকলৰ এটা জামাত লগত লৈ গৈ বনু নজিৰৰ বস্তি ঘেৰাও কৰি লয়। তেখেত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক সেনা নায়ক পাতে আকৌ এটা ৰিৱায়ত অনুযায়ী হজৰত আবু বক্কৰ

(ৰাঃ)ক সেনাৰ আমিৰ বনাই দিয়ে।  যিয়েই নহওঁক মুছলমান সকলে গোটেই ৰাতিটো ইহুদী সকলক ঘেৰাও কৰি ৰাখে আৰু বাৰে বাৰে তকবিৰ দিয়া কৰে। এনেদৰে ৰাতি পাৰ হৈ গৈ ফজৰৰ সময়ত হজৰত বিলাল (ৰাঃ)য়ে আজান দিয়ে। তেতিয়া আঁহজৰত (ছাঃ)য়ে দহজন চাহাবাৰ সৈতে সৈন্যৰ ছাউনিলৈ ওভতি আহে আৰু ফজৰৰ নামাজ পঢ়ায়। ইহুদী সকলৰ মাজত এজন লোকৰ নাম আছিল আজবক। তেওঁ ৰছুলুল্লাহ (ছাঃ)ৰ তম্বুলৈ লক্ষ্য কৰি তীৰ চলাইছিল, সেই তীৰ গৈ তম্বুত লাগিছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে তাৰ পৰা তম্বু গুচাই তীৰ আন্দাজ সকলৰ সীমাৰ বাহিৰত তম্বু পাৰি ল'বলৈ আদেশ দিছিল। সেই অভিযান চলাকালীন এদিন ৰাতিৰ বেলিকা ঈশাৰ নামাজৰ সময়ত হজৰত আলি (ৰাঃ) সৈন্য বাহিনীৰ পৰা উধাও হৈ যায়। এই খবৰ লোকে আঁহজৰত (ছাঃ)ক দিয়ে যে ইয়া ৰছুলুল্লাহ (ছাঃ) ! হজৰত আলিক কতো বিচাৰি পোৱা নাই। আঁহজৰত (ছাঃ)য়ে কৈছিল তেওঁৰ বাবে চিন্তা কৰিব নালাগে, কাৰণ তেওঁ তোমালোকৰেই এটা কামৰ উদ্দেশ্যে গৈছে। অলপ সময় পিছতেই হজৰত আলি (ৰাঃ)য়ে সেই লোক জনৰ মূৰ কাটি লৈ আনে, যাৰ নাম আজবক আছিল আৰু এওঁৰেই তীৰ ৰছুলুল্লাহ (ছাঃ)ৰ তম্বুত আহি লাগিছিল।

তীৰ আহি তম্বুত লগাৰ লগে লগেই হজৰত আলি (ৰাঃ)য়ে ঘাতপাতি বহিছিল আৰু তাৰ ওপৰত আক্ৰমণ চলাই হত্যা কৰি পেলাইছিল। কাৰণ লোক জনে মুছলমান সকলৰ চৰদাৰক মাৰিবলৈ চেষ্টা চলাই আছিল। আজবকৰ লগত থকা লোক কেইজনে পলাই প্ৰাণ বচাইছিল। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ লগত দহ জনীয়া এটা জামাত দি পঠিয়াইছিল, সেই দহজনৰ মাজত হজৰত আবু দাজানা (ৰাঃ) আৰু হজৰত ছুহেল বিন হনায়েফও আছিল। এওঁলোকে গৈ সেই লোক কেইজনক যিসকলে আজবকৰ লগত আছিল ধৰি পেলায় আৰু সকলোকে হত্যা কৰে। কিছুমান উলামই লিখিছে যে আজবকৰ লগত দহজন লোক আছিল। চাহাবা সকলে তেওঁলোকক হত্যা কৰি মূৰ কাটি লৈ আনে আৰু সেইবোৰ বিভিন্ন নাদত পেলাই দিয়ে। এটা ৰিৱায়ত অনুযায়ী ৰছুলুল্লাহ (ছাঃ)য়ে সেই কটা মূৰ কেইটা বনু খাতমাৰ কুঁৱাত পেলাবলৈ আদেশ দিছিল। বাকী বৰ্ণনা ইনশা আল্লাহ আগলৈ কৰা হ'ব।

খোতবা ছানিৰ পিছত হুজুৰ (আইঃ)য়ে কয় যে বাজামাত নামাজ পঢ়াৰ সময়ত শাৰীত এজনে আনজনৰ কান্ধ মিলাই থিয় হ'ব লাগে। এতিয়া আৰু কভিডৰ ভয় নাই; গতিকে শাৰী পতাৰ সময়ত মাজত ফাঁক ৰখাৰ প্ৰয়োজন নাই। কান্ধত কান্ধ মিলাই থিয় দিব। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844